# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 26-Aug-2025
**Time :** 1845 HRS

## *Assamese Evening Bulletin*

---

### HEADLINES
::::::::::::::::::

১। প্ৰাক্তন মুখ্যমন্ত্ৰী গোলাপ বৰবৰাৰ জন্ম শতবৰ্ষৰ গুৱাহাটীৰ আৰম্ভণি অনুষ্ঠানত ২৯ আগষ্টত গৃহমন্ত্ৰী অমিত শ্বাহৰ অংশগ্ৰহণ।

২। অহা ২২ ছেপ্তেম্বৰত বিটিচিৰ সাধাৰণ নিৰ্বাচনৰ দিন ঘোষণা, ২৬ ছেপ্তেম্বৰত ভোট গণনা।

৩। ৰাজ্যৰ প্ৰতিখন চৰকাৰী চিকিৎসালয়ত ১০০ শতাংশ বিনামূলীয়া ঔষধ উপলব্ধ হ'ব বুলি স্বাস্থ্য মন্ত্ৰীৰ প্ৰকাশ।

৪। গুৱাহাটীত ৰাজ্যিক বিশ্ববিদ্যালয়ৰ উপাচাৰ্যসকলৰ বৈঠকত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ অংশগ্ৰহণ।

*আৰু*

৫। আহমদাবাদত চলি থকা কমলৱেলথ ভাৰোত্তোলন প্ৰতিযোগিতাত অসমৰ ভাবনা গগৈৰ যুৱ শাখাৰ ৫৮ কিলোগ্ৰামত সোণৰ পদক অৰ্জন।

ooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে অহা ২৯ আগষ্টত ৰাজ্যৰ প্ৰাক্তন মুখ্যমন্ত্ৰী গোলাপ বৰবৰাৰ জন্ম শতবৰ্ষৰ বছৰজোৰা কাৰ্যসূচীৰ শুভাৰম্ভ কৰিব। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে। গৃহমন্ত্ৰীগৰাকীয়ে সেইদিনা দিনৰ ১১ বজাত পঞ্চায়ত সন্মিলনৰ পূৰ্বে অসম ৰাজভৱনৰ নতুন গৃহ উন্মোচন কৰিব। শ্ৰীশ্বাহে গুৱাহাটীৰ খানাপাৰাৰ খেলপথাৰত পঞ্চায়ত প্ৰতিনিধি সন্মিলনত অংশ লৈ ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ কুচকাৱাজ আৰম্ভ কৰিব বুলি ৰাজ্যিক বিজেপিৰ সাধাৰণ সম্পাদক পল্লৱ লোচন দাসে ঘোষণা কৰিছে। আজি দলৰ ৰাজ্যিক কাৰ্যালয়ত আয়োজিত সংবাদ মেলত শ্ৰীদাসে কয় যে এই সন্মিলনত বিজেপি, অসম গণ পৰিষদ, ৰাভা হাছং যৌথ সংগ্ৰাম সমিতি আৰু জনশক্তিকে ধৰি এন ডি এৰ সকলো শীৰ্ষ নেতা উপস্থিত থাকিব। প্ৰায় ২০ হাজাৰ নিৰ্বাচিত জনপ্ৰতিনিধি এই সন্মিলনত উপস্থিত থকাৰ কথা। তদুপৰি কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদ, ডিমা হাছাওকে ধৰি পৰিষদসমূহৰ নিৰ্বাচিত প্ৰতিনিধিসকলো এই অনুষ্ঠানত উপস্থিত থকাৰ কথা।

ooooo

অসম ৰাজ্যিক নিৰ্বাচন আয়োগে বিটিচিৰ সাধাৰণ নিৰ্বাচনৰ দিন ঘোষণা কৰিছে। আয়োগে প্ৰকাশ কৰা নিৰ্দেশনা অনুসৰি অহা ২২ ছেপ্তেম্বৰ সোমবাৰে ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। আয়োগে অহা ২ ছেপ্তেম্বৰ তাৰিখে মনোনয়ন দাখিলৰ অন্তিম দিন ধাৰ্য্য কৰিছে। ৪ ছেপ্তেম্বৰত প্ৰাৰ্থীৰ মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰি বৈধ প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰা হ'ব। ৬ ছেপ্তেম্বৰত প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন ধাৰ্য্য কৰা হৈছে। ২৬ ছেপ্তেম্বৰত ভোটগণনা অনুষ্ঠিত হ'ব।

০০০০০

মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই আজি বি টি চিৰ পৰ্বতঝোৰাত এখন জনসভাত অংশগ্ৰহণ কৰে। বি টি চিৰ নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি এইখন জনসভাতো মুখ্যমন্ত্ৰীগৰাকী ভি চি ডি চিৰ বিৰুদ্ধে সৰৱ হৈ উঠে। ভি চি ডি চি ব্যৱস্থাই সৰ্বসাধাৰণ দৰিদ্ৰ জনতাক শোষণ কৰা বুলি অভিযোগ কৰি ডং শৰ্মাই কয়, যে এইবাৰ বি টি চিত বিজেপিয়ে চৰকাৰ গঠন কৰিলে ভি চি ডি চি ব্যৱস্থা প্ৰত্যাহাৰ কৰা হ'ব। তেওঁ লগতে বিজেপিৰ চৰকাৰ হ'লে বি টি চিত অৰুণোদয়কে ধৰি বিভিন্ন চৰকাৰী আঁচনি প্ৰকৃত হিতাধিকাৰীয়ে লাভ কৰাটো নিশ্চিত কৰা হ'ব বুলিও প্ৰতিশ্ৰুতি দিয়ে। মুখ্যমন্ত্ৰীগৰাকীয়ে দুৰ্গা পূজাৰ সময়ত ধুবুৰীত দুষ্কৃতিকাৰীক দেখা মাত্ৰেই আৰক্ষীয়ে গুলী চালনা কৰিব পৰা নিৰ্দেশ বাহাল থাকিব বুলি উল্লেখ কৰে। পৰিস্থিতি সাপেক্ষে অতি কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি তেওঁ কয়। উচ্ছেদ অভিযানে বনাঞ্চলসমূহ ৰক্ষা কৰিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়, যে সকলো মানুহে বনাঞ্চল দখল কৰিব নালাগে বুলি বুজি পোৱা উচিত। বনাঞ্চলত আইন সংগতভাৱে কোনো মানুহে বাস কৰিব নোৱাৰে বুলিও তেওঁ কয়।

*(বাইট ঃ মুখ্যমন্ত্ৰী)*

মুখ্যমন্ত্ৰী ডং শৰ্মাই কালি কোকৰাঝাৰ জিলাত দুখনকৈ সংকল্প সভাত অংশগ্ৰহণ কৰি কয়, যে বিটিচিত বিজেপি চৰকাৰ হ'লে কোনো দ্বিতীয় শ্ৰেণী নাগৰিক নাথাকিব। বিটিচি চুক্তি স্বাক্ষৰ হোৱাৰ ২২ বছৰ পাছতো অঞ্চলটোৰ ৰাইজে আজিও বিচৰাধৰণে অধিকাৰ নাপালে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে বিজেপিৰ লক্ষ্য হৈছে বিটিচিৰ প্ৰতিটো জাতি-জনগোষ্ঠীক প্ৰথম শ্ৰেণীৰ নাগৰিকৰ মৰ্যাদা আৰু অধিকাৰ প্ৰদান কৰা। বিটিআৰ বাসীৰ মাটি-বাৰীৰ দীৰ্ঘদিনীয়া সমস্যাৰ স্থায়ী সমাধান, শিক্ষাৰ উন্নয়ন, মহিলাৰ স্ব-নিৰ্ভৰশীলতা, আন্তঃগাঁথনি উন্নয়ন, যুৱ শক্তিৰ বিকাশ আৰু জীৱন জীৱিকাৰ সৰ্বাংগীন বিকাশেৰে বিজেপিয়ে এখন নতুন বিটিআৰৰ সপোন ৰচা বুলিও তেওঁ কয়। জিলাখনৰ কালিপুখুৰী হাউৰীয়া মাগুলিক বাক্ৰা খেলপথাৰত অনুষ্ঠিত সভাত অংশগ্ৰহণ কৰি ডং শৰ্মাই ১২ নম্বৰ ছালাকাটি পৰিষদীয়ৰ সমষ্টিৰ দলীয় কৰ্মকৰ্তাসকলক সম্বোধন কৰাৰ পাছতে কাশিয়াবাৰীৰ আৰনাই খেলপথাৰত আয়োজিত আন এখন সভাত অংশগ্ৰহণ কৰে। এই সভাত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীয়ে ৰাজ্যৰ মহিলাসকলে বিজেপিৰ শাসনত স্ব-নিৰ্ভৰলশীলতাৰ দিশে আগবঢ়াৰ প্ৰসংগও দাঙি ধৰে।

০০০০০

গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ অধীক্ষক হিচাপে আজি ড০ দেৱজিৎ চৌধুৰীয়ে আনুষ্ঠানিকভাৱে দায়িত্ব গ্ৰহণ কৰিছে। ডাঃ চৌধুৰীয়ে দায়িত্ব গ্ৰহণ কৰিয়ে কয়, যে তেওঁ ৰাইজৰ লগতে কৰ্মচাৰীৰ সুবিধা হোৱাকৈ বিশেষ ফোন নম্বৰ মুকলি কৰাৰ ব্যৱস্থা কৰিব আৰু এই নম্বৰত যিকোনো অভিযোগ দাখিলৰ ব্যৱস্থা থাকিব। ডাঃ চৌধুৰীয়ে জনসাধাৰণৰ হকে চিকিৎসা মহাবিদ্যালয় হাস্পতালখনক আগবঢ়াই নিবলৈ যতপৰোনাস্তি চেষ্টা কৰিব বুলি কয়।

ooooo

ৰাজ্যৰ প্ৰতিখন চৰকাৰী চিকিৎসালয়ত এতিয়াৰে পৰা ১০০ শতাংশ বিনামূলীয়া ঔষধ উপলব্ধ হ'ব বুলি স্বাস্থ্য মন্ত্ৰী অশোক সিংহালে প্ৰকাশ কৰিছে। আজি দিছপুৰৰ লোকসেৱা ভৱনত আয়োজিত এখন সংবাদ মেলত মন্ত্ৰীগৰাকীয়ে এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে ৯৯ শতাংশ চিকিৎলায়ত সম্প্ৰতি বিনামূলীয়া ঔষধ উপলব্ধ হৈছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয় যে জনসাধাৰণে এই ঔষধ লাভ নকৰিলে ৯৮৬৪৫-৪১৪৩০ নম্বৰত হোৱাটছএপযোগে অভিযোগ দিব পাৰিব। ৰাজ্যৰ ৪ হাজাৰ ৮৭৩টা আয়ুষ্মান আৰোগ্য মন্দিৰত ৩০বিধ অত্যাৱশ্যকীয় ঔষধ মজুত ৰখা হ'ব বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। এহেজাৰ ১৮খন প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত ১২৫ বিধ অত্যাৱশ্যকীয় ঔষধ উপলব্ধ হ'ব বুলিও মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। তদুপৰি মহকুমা জিলা আৰু সদৰ চিকিৎসা কেন্দ্ৰসমূহতো অত্যাৱশ্যকীয় ঔষধ মজুত ৰখা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে সংবাদ মেলত উল্লেখ কৰে। চিকিৎসা মহাবিদ্যালয় হাস্পতালসমূহত ৩৫২ বিধ অত্যাৱশ্যকীয় ঔষধ আৰু ৬৯বিধ বিশেষ ঔষধ ৰখা হ'ব। তদুপৰি চিকিৎসকসকলে জেনেৰিক ঔষধহে নিদানপত্ৰত লিখাতো নিশ্চিত কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে। প্ৰতিখন চিকিৎসালয়ৰ ফাৰ্মাচীৰ সন্মুখত ঔষধৰ তালিকা লগোৱা থাকিব বুলিও তেওঁ উল্লেখ কৰে।

বাইট (অশোক সিংহাল)

সংবাদ মেলত মন্ত্ৰীগৰাকীয়ে বিগত কেইমাহ মানত ৰাজ্যত এইছ আই ভি পজিটিভ ৰোগীৰ সংখ্যা বৃদ্ধি পোৱাক লৈ উদ্বিগ্নতা প্ৰকাশ কৰাৰ লগতে এই সমস্যা সমাধানৰ বাবে ব্যাপক সজাগতা সৃষ্টি কৰা হৈছে বুলি উল্লেখ কৰে।

ooooo

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই আজি গুৱাহাটী বিশ্ববিদ্যালয়ত ৰাজ্যিক বিশ্ববিদ্যালয়ৰ উপাচাৰ্যসকলৰ এখন বৈঠক উদ্বোধন কৰে। শিক্ষণ পদ্ধতি, পাঠ্যক্ৰম আৰু মূল্যায়ন প্ৰণালীত পৰিৱৰ্তনকামী সংস্কাৰ, ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ৰ তাৎক্ষণিক আৱশ্যকতা শীৰ্ষক বিষয়ক আয়োজিত এই বৈঠকত ৰাজ্যপালগৰাকীয়ে ভৱিষ্যমুখী শৈক্ষিক পৰিবেশ গঢ়ি তোলাৰ ওপৰত গুৰুত্ব দিয়ে। বিশ্ববিদ্যালয়ৰ আচাৰ্যগৰাকীয়ে লগতে শিক্ষা ব্যৱস্থা সুসংহত আৰু উদ্ভাৱনীমূলক কৰি তোলাৰ বাবে আহ্বান জনায়। তেওঁ কয় যে ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ৰ সৈতে সংগতি ৰাখি পাঠ্যক্ৰম আৰু মূল্যায়ন প্ৰণালীৰ সংস্কাৰ কৰাৰ বাবে ৰাচজভৱনৰ উদ্যোগত বিভিন্ন বিশ্ববিদ্যালয়ৰ প্ৰতিনিধিৰ সৈতে আলোচনা অনুষ্ঠিত হৈছে। অনুষ্ঠানত দিয়া বাষণত গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ ননী গোপাল মহন্তই শিক্ষাত সংস্কাৰৰ দিশসমূহ আলোচনা কৰাৰ লগতে শিক্ষাৰ্থীৰ বহনক্ষম বিকাশৰ ওপৰত গুৰুত্ব দিবলৈ আহ্বান জনায়। আজিৰ বৈঠকত ১২খন বিশ্ববিদ্যালয়ৰ উপাচাৰ্যসকল উপস্থিত থাকে।

ooooo

বজালী জিলাৰ খাৰাধৰাত আজি জনজাতীয় লোকসকলৰ পৰিয়ালৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ অৰ্থসাহায্যৰে নিৰ্মিত এখন একলব্য আদৰ্শ আৱাসিক বিদ্যালয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে উদ্বোধন কৰে। বিদ্যালয়খন উদ্বোধন কৰি মন্ত্ৰীগৰাকীয়ে কয় যে এই বিদ্যালয়খনত ষষ্ঠ শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ জনজাতীয় ছাত্ৰ-ছাত্ৰীসকলে বিনামূলীয়াকৈ পঢ়াৰ লগতে থকা-খোৱা আদিৰ সুবিধা লাভ কৰিব। ইয়াৰ বাবে সম্পূৰ্ণ ব্যয় কেন্দ্ৰীয় চৰকাৰে বহন কৰিব। জনজাতীয় সমাজৰ শিশুসকলৰ জীৱনৰ ৰূপান্তৰ সাধনৰ বাবে একলব্য আদৰ্শ আৱাসিক বিদ্যালয় স্থাপন কৰিবলৈ লোৱা হৈছিল। এই অনুসৰি অসমত ১৪খন এনে আৱাসিক বিদ্যালয় স্থাপন কৰা

হৈছে। বজালী জিলাৰ খাৰধৰাত এই বিদ্যালয়খন ১৯ কোটি ১৯ লাখ টকা ব্যয়সাপেক্ষে স্থাপন কৰা হৈছে আৰু পৰৱৰ্ত্তী সময়ত প্ৰয়োজন সাপেক্ষে অধিক ধন ব্যয় কৰি সা-সুবিধা সংযোজন কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে কয়। প্ৰাৰম্ভিক অৱস্থাত বিদ্যালয়খনত ৪৮০ গৰাকী ছাত্ৰ-ছাত্ৰী থাকিব পৰাকৈ আৱাসিক সুবিধা ৰখা হৈছে। ইয়াৰ লগতে শিক্ষক-শিক্ষয়িত্ৰীৰ বাবেও আৱাসৰ ব্যৱস্থা কৰা হৈছে। প্ৰথম শিক্ষাবৰ্ষত মুঠ আসনৰ সংখ্যা ৬০জন আছিল যদিও বৰ্তমান ২৮জন ছাত্ৰ আৰু ২৪গৰাকী ছাত্ৰীয়ে বিদ্যালয়ত নামভৰ্তি কৰিছে। উল্লেখযোগ্য যে প্ৰতি বছৰে বাছনি পৰীক্ষাত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীহে এই বিদ্যালয়ত নামভৰ্তি কৰিব পাৰিব।

০০০০০

গোলাঘাট জিলাৰ উৰিয়ামঘাটৰ ৰেংমা সংৰক্ষিত বনাঞ্চলত আজি তৃতীয় পৰ্যায়ৰ উচ্ছেদ অভিযান সফলতাৰে সম্পন্ন হয়। প্ৰশাসন আৰু বন বিভাগে বনাঞ্চলখনৰ ১ নম্বৰ মধুপুৰ, ৰানানগৰ আৰু হাতীদিঙি অঞ্চলত উচ্ছেদ চলাই ২২৮টা বাসগৃহ ধ্বংস কৰে। সংৰক্ষিত বনভূমি এলেকাৰ কেইবা হেক্টৰ ভূমি আজি দখলমুক্ত কৰা হয়। সমগ্ৰ অভিযান আইনসংগতভাৱে আৰু পূৰ্বে জাৰি কৰা জাননীৰ ভিত্তিত শান্তিপূৰ্ণভাৱে সম্পন্ন হয়। বিশেষ মুখ্য সচিব এন কে যাদৱৰ নেতৃত্বত এই অভিযানত জিলা আয়ুক্ত জ্যেষ্ঠ আৰক্ষী অধীক্ষক, বন বিভাগ, চি আৰ পি এফ আৰু অসম আৰক্ষীয়ে সহযোগ কৰে। এই অভিযান সাময়িকভাৱে স্থগিত ৰখা হৈছিল। উল্লেখযোগ্য যে উৰিয়ামঘাটত চৰকাৰে উচ্ছেদ অভিযান চলাই এইপৰ্যন্ত প্ৰায় ১৩ হাজাৰ বিঘা বনাঞ্চল দখলমুক্ত কৰিছে। ৰেংমা বনাঞ্চলৰ উপৰি ৰাজ্য চৰকাৰে উৰিয়ামঘাটৰ আশে-পাশে আন একাংশ অঞ্চলতো উচ্ছেদ অভিযান চলোৱাৰ বাবে প্ৰস্তুতি চলাইছে।

০০০০০

যোৱা ২০ আগষ্টত তামুলপুৰ জিলাৰ গোৰেশ্বৰ থানাৰ অন্তৰ্গত সুৱাগপুৰ ভৰালী চ'কত উত্তেজিত লোকৰ আক্ৰমণত এজন যুৱক নিহত হোৱা ঘটনা সম্পৰ্কত গোৰেশ্বৰৰ চক্ৰ বিষয়া ত্ৰিলিনা টাইড তদন্ত সমিতিয়ে এই ঘটনা সম্পৰ্কত অহা ২৯ আগষ্টত দিনৰ ১১ বজাত গোৰেশ্বৰৰ চক্ৰ বিষয়াৰ কাৰ্যালয়ত শুনানিৰ দিন ধাৰ্য কৰিছে। এই ঘটনাৰ প্ৰত্যক্ষদৰ্শী অথবা আন বিষয়ক কোনো তথ্য থাকিলে সংশ্লিষ্ট ব্যক্তিয়ে সেইদিনা সমিতিৰ আগত সাক্ষ্য দিব পাৰিব বুলি এখন চৰকাৰী বিজ্ঞপ্তিত কোৱা হৈছে। ঘটনা সন্দৰ্ভত সংবাদ মাধ্যমত প্ৰকাশিত বাতৰি আৰু জনসাধাৰণৰ মাজত সৃষ্টি হোৱা ক্ষোভৰ পৰিপ্ৰেক্ষিতত তালুলপুৰৰ জিলা দণ্ডাধীশে এই দণ্ডাধীশ পৰ্যায়ৰ তদন্তৰ নিৰ্দেশ দিছিল। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে এটা দুৰ্ঘটনাক কেন্দ্ৰ কৰি উন্মত্ত লোকৰ আক্ৰমণত অভিষেক দাস নামৰ মৃত যুৱকজনৰ চাৰিজন বন্ধু - যুৱৰাজ বড়ো, ধ্ৰুৱজ্যোতি গুৰুং, নৱজ্যোতি দাস আৰু মাৰ্টিন বসুমতাৰীক কালি সুৱাগপুৰ থানাৰ আৰক্ষীয়ে ভাষ্য গ্ৰহণ কৰে।

০০০০০

শিলচৰৰ অসম বিশ্ববিদ্যালয় পদাৰ্থ বিজ্ঞানৰ প্ৰাক্তন গৱেষিকা ড০ বেগম আবিদা চৌধুৰী দক্ষিণ মেৰুৰ এণ্টাৰ্কটিকা অভিযানৰ বাবে নিৰ্বাচিত হৈছে। বিশ্বৰ আটাইতকৈ প্ৰতিকূল বতৰৰ জলবায়ু পৰিৱৰ্তন বিষয়ত গৱেষণাৰ বাবে যাবলগীয়া দলটোৰ অংশ হিচাপে যাবলৈ ওলোৱা ড০ চৌধুৰীয়ে বৰ্তমান উত্তৰাখণ্ডৰ আউলিৰ ভাৰত-তিববত সীমান্ত আৰক্ষীৰ পৰ্বতাৰোহণ আৰু স্কিইং স্কুলত প্ৰশিক্ষণ সম্পূৰ্ণ কৰিছে। ভাৰতৰ মেৰু গৱেষণাত আৰু জলবায়ু পৰিৱৰ্তন তথা পৰিৱেশ তন্ত্ৰৰ বিশ্বব্যাপি প্ৰভাৱৰ ক্ষেত্ৰত এই গৱেষণা অতি গুৰুত্বপূৰ্ণ হ'ব বুলি আশা কৰা হৈছে।

০০০০০

গোলাঘাট জিলাৰ মেৰাপানীৰ অসম-নাগালেণ্ড সীমান্তত নাগালেণ্ডৰ ১১ খন গাঁৱৰ গাঁওপ্ৰধানে আন্তঃৰাজ্যিক পাৰপত্ৰ অৰ্থাৎ আই এল পি অথবা ভিজেল কাউন্সিলৰ অনুমতি অবিহনে কোনো অসমীয়া লোকে নাগালেণ্ডত প্ৰৱেশ কৰিব নোৱাৰিব বুলি জাননী জাৰি কৰিছে। কোনো লোকে এই নিয়ম উলংঘা কৰিলে ৫০ হাজাৰ টকাৰ জৰিমনাৰ লগতে বিধিগত শাস্তি বিহা হ'ব বুলি জাননীত উল্লেখ কৰিছে। অহা এক ছেপ্তেম্বৰৰ পৰা এই নিয়ম কাৰ্যকৰী হ'ব বুলি উল্লেখ কৰা হৈছে যদিও আজিও সীমান্ত অঞ্চলত অসমীয়া লোকক নাগালেণ্ডত প্ৰৱেশত বাধা দিয়াৰ বাবে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়।

ooooo

তিনিচুকীয়া জিলা প্ৰশাসনে ২০২৪ বৰ্ষত লাভ কৰা প্ৰধানমন্ত্ৰীৰ ৰাজহুৱা প্ৰশাসনৰ উৎকৰ্ষতা বঁটাৰ ধনেৰে জিলাখনৰ এটা বহুমুখী শিকন কক্ষ স্থাপন কৰিছে। ৰাজ্য চৰকাৰে ২০২৫ বৰ্ষক গ্ৰন্থবৰ্ষ হিচাপে উদযাপন কৰিবলৈ লোৱা সিদ্ধান্তৰ সৈতে সংগতি ৰাখি তিনিচুকীয়া জিলা পুথিভঁৰালত স্থাপন কৰা এই অত্যাধুনিক শিকন কক্ষত ভিডিঅ' কনফাৰেন্সিং, গ্ৰন্থ অধ্যয়ন, আলোচনা কক্ষ আদি সুবিধা ৰখা হৈছে। জিলাৰ আয়ুক্ত স্বপ্নীল পালে আজি এই কক্ষটি উদ্বোধন কৰি কয়, যে যুগৰ পৰিৱৰ্তন আৰু প্ৰযুক্তিৰ বিকাশৰ সৈতে খাপ খোৱাকৈ গ্ৰন্থ অধ্যয়নৰ ক্ষেত্ৰত নতুনত্ব আনি যুৱ প্ৰজন্মক আকৰ্ষিত কৰিব পৰাকৈ এই কক্ষ গঢ়ি তোলা হৈছে। উল্লেখযোগ্য যে, আয়ুক্তগৰাকীয়ে ইয়াৰ পূৰ্বেও তিনিচুকীয়া জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সন্মুখত ডি চি ভিষ্টা নামৰ এখন শিক্ষামূলক উদ্যান, নিচামুক্ত কেন্দ্ৰ স্থাপন, দিব্যাংগসকলৰ বাবে স্বাস্থ্য পৰীক্ষা আদি বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰিছে। আজিৰ অনুষ্ঠানত তিনিচুকীয়াৰ অতিৰিক্ত জিলা আয়ুক্ত, জ্যেষ্ঠ বিষয়া, সাংবাদিক আদিকে ধৰি বহু কেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

ooooo

গুজৰাটৰ আহমেদাবাদত চলি থকা কমনৱেল্থ ভাৰোত্তোলন প্ৰতিযোগিতাৰ আজি দ্বিতীয় দিনা অসমৰ ভাৱনা গগৈয়ে সোণৰ পদক অৰ্জন কৰে। প্ৰথমবাৰৰ বাবে ভাৰতীয় দলত স্থান লাভ কৰা ভাৱনাই যুৱ শাখাৰ ৫৮ কিলোগ্ৰাম শিতানত প্ৰতিদ্বন্দ্বিতা কৰি পদক অৰ্জন কৰে। এই প্ৰতিযোগিতাত ভাৱনাই স্নেট্চত ৬৯ আৰু ক্লীন এণ্ড জাৰ্কত ৯৩ কিলোগ্ৰাম উত্তোলন কৰি সামগ্ৰিকভাৱে ১৬২ কিলোগ্ৰাম ওজন উত্তোলন কৰি সোণৰ পদক হস্তগত কৰে। অসম ভাৰোত্তোলন সন্থাৰ সভাপতি তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ বাবে খেলুৱৈগৰাকীক শুভেচ্ছা জ্ঞাপন কৰিছে। শ্ৰীসোণোৱালে লগতে খেলুৱৈগৰাকী ভৱিষ্যতে বহু দূৰলৈ আগুৱাই যাব আৰু ৰাজ্য তথা দেশক গৌৰৱান্বিত কৰিব বুলি আশা প্ৰকাশ কৰে।

ooooo

সমাপ্ত